**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-06-2024
**Time :** 13-40 Hrs.

***<u>Assamese Midday Bulletin</u>***

১। অৰুণাচল প্ৰদেশ আৰু চিকিম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে চলি আছে। ভোটগণনাৰ প্ৰাৰম্ভিক ধাৰা অনুসৰি অৰুণাচল প্ৰদেশত বিজেপি বিপুল জয়ৰ দিশে অগ্ৰসৰ হৈছে। আনহাতে, চিকিমক শাসকীয় চিকিম ক্ৰান্তিকাৰী মৰ্চা আগবাঢ়ি আছে।

২। পৰহিলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পূৰ্বে কেইবাটাও ব্যক্তিগত টিভি চেনেল আৰু অন্য সংস্থাই নিৰ্বাচনোত্তৰ সমীক্ষাৰ তথ্য প্ৰকাশ কৰিছে। বেছিভাগ নিৰ্বাচনোত্তৰ সমীক্ষাত বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোট লোকসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি কোৱা হৈছে।

৩। ৰীমালৰ প্ৰভাৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যত সৃষ্টি হোৱা বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত অৱস্থাত আছে। ***আৰু***

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আমেৰিকা যুক্তৰাষ্ট্ৰত আৰম্ভ হৈছে।

০০০০

অৰুণাচল প্ৰদেশ আৰু চিকিম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে চলি আছে। ৬০ জনীয়া অৰুণাচল প্ৰদেশ আৰু ৩২ জনীয়া চিকিম বিধানসভাৰ বাবে ১৯ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত সমান্তৰালভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

ভোটগণনাৰ প্ৰাৰম্ভিক ধাৰা অনুসৰি অৰুণাচল প্ৰদেশত বিজেপি বিপুল জয়ৰ দিশে অগ্ৰসৰ হৈছে। আনহাতে, চিকিমক শাসকীয় চিকিম ক্ৰান্তিকাৰী মৰ্চা আগবাঢ়ি আছে। অৰুণাচল প্ৰদেশত বৰ্তমানলৈকে বিজেপি ৪২ খন আসনত জয়লাভ কৰিছে আৰু ৪ খনত আগবাঢ়ি আছে। আনহাতে, নেচনেল পিপলছ পাৰ্টী ৪ খন আসনত জয়ী হৈছে আৰু এখনত আগবাঢ়ি আছে। কংগ্ৰেছ দলে এখন আসন লাভ কৰিছে আৰু দুখনত আগবাঢ়ি আছে।

ইফালে, চিকিমত চিকিম ক্ৰান্তিকাৰী মৰ্চাই ২৩ খন আসন লাভ কৰিছে আৰু ৮ খনত আগবাঢ়ি আছে। আনহাতে, চিকিম গণতান্ত্ৰিক মৰ্চাই এখন আসন লাভ কৰিছে।

০০০০

লোকসভা নিৰ্বাচনৰ লগতে অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাত আৰম্ভ হ'ব। ইয়াৰ উপৰি কেইখনমান বিধানসভা আসনৰ বাবে উপ নিৰ্বাচনৰ ভোটগণনাও কাইলৈ অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ড০ সুখবীৰ সিং সান্ধুৰে সকলো মুখ্য নিৰ্বাচনী বিষয়া আৰু ৰিটৰ্ণিং বিষয়াৰ সৈতে ভোটগণনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলাইছে।

নিৰ্বাচন আয়োগে কৈছে যে, ভোটগণনাৰ  ধাৰা আৰু ফলাফল আয়োগৰ ৱেৱছাইট results.eci.gov.in আৰু ভোটাৰ হেল্পলাইন এপত উপলব্ধ হ'ব। গুগল প্লেষ্ট'ৰ অথবা আপেল প্লেষ্ট'ৰৰ পৰা ভোটাৰ হেল্পলাইন এপ ডাউনলোড কৰিব পৰা যাব।

০০০০

পৰহিলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পূৰ্বে কেইবাটাও ব্যক্তিগত টিভি চেনেল আৰু অন্য সংস্থাই নিৰ্বাচনোত্তৰ সমীক্ষাৰ তথ্য প্ৰকাশ কৰিছে। বেছিভাগ নিৰ্বাচনোত্তৰ সমীক্ষাত বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোট লোকসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি কোৱা হৈছে। সমীক্ষাৰ তথ্য অনুসৰি এন ডি এয়ে ৫৪৩ জনীয়া লোকসভা দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ সম্ভাৱনা আছে। লোকসভাত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ বাবে ২৭২ খন আসনৰ প্ৰয়োজন।

নিৰ্বাচনী বিশেষজ্ঞসকলে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ৩৫০ খনৰো অধিক আসন লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে। বিৰোধী আই এন ডি আই মিত্ৰজোটে লোকসভা নিৰ্বাচনত ১২৫ ৰ পৰা ১৫০ খন আসন লাভ কৰিব পাৰে। এইবাৰৰ লোকসভা নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দিতা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত একেৰাহে তৃতীয়বাৰলৈ ক্ষমতালৈ আহিব বুলি শাসনাধিস্থিত বিজেপি যথেষ্ট আশাবাদী।

০০০০

কংগ্ৰেছে লোকসভা নিৰ্বাচন সম্পৰ্কীয় ব্যক্তিগত টি ভি চেনেল আৰু অন্য সংস্থাসমূহে প্ৰকাশ কৰা তথ্য প্ৰত্যাখ্যান কৰিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে নিৰ্বাচনোত্তৰ সমীক্ষা সম্পূৰ্ণৰূপে ভূৱা বুলি মন্তব্য কৰিছে। তেওঁ কৈছে যে, এইবাৰৰ নিৰ্বাচনত আই এন ডি আই মিত্ৰজোটে কমেও ২৯৫ খন আসন লাভ কৰিব। তেওঁ কয় যে, মিত্ৰজোটৰ সকলো দলৰ নেতাই ৰাজ্য পৰ্যায়ত বিশ্লেষণ কৰিছে আৰু মিত্ৰজোটে ২৯৫ খন আসন লাভ কৰিব বুলি আস্থা প্ৰকাশ কৰিছে। নিৰ্বাচনোত্তৰ সমীক্ষা বিজেপিৰ মনস্তাত্বিক খেল বুলি অভিযোগ উত্থাপন কৰি কংগ্ৰেছ নেতাগৰাকীয়ে কৈছে যে, বিজেপিয়ে তেঁওলোকৰ নেতা-কৰ্মীসকলৰ মনোবল ভংগ কৰাৰ উদ্দেশ্যে মানসিক ছাপ সৃষ্টি কৰাৰ প্ৰয়াস চলাইছে যদিও এনে প্ৰয়াস সফল নহয়।

০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে পৰহিলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৮ বাজি ৩০ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০

ৰীমালৰ প্ৰভাৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যত সৃষ্টি হোৱা বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত অৱস্থাত আছে। এতিয়াও বৰাক উপত্যকাৰ তিনি জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ

লগতে নগাঁৱৰ কামপুৰৰ বান পৰিস্থিতি জটিল হৈয়ে আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ১০খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। বিগত ২৪ ঘণ্টাত বানৰ ফলত ৩ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১১ জনলৈ বৃদ্ধি পাইছে। হাইলাকান্দি, হোজাই, মৰিগাঁও, কৰিমগঞ্জ, নগাঁও, কাছাৰ, ডিব্ৰুগড়, গোলাঘাট, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৯৭ খন গাঁও প্লাৱিত হৈছে আৰু ৪ হাজাৰ ৮০০ হেক্টৰৰো অধিক কৃষিভূমি বানৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৮৭টা সাহায্য শিবিৰ আৰু ৯৬টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানৰ কামত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল নিয়োগ কৰা হৈছে। বিগত ২৪ ঘণ্টাত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ প্ৰথম বেটেলিয়নৰ এটা অতিৰিক্ত দল বিমানেৰে গুৱাহাটীৰ পৰা হাইলাকান্দি, কাচাৰ আৰু কৰিমগঞ্জ জিলালৈ প্ৰেৰণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, ৰাজ্যখনত কালি বাঢ়নী পানীয়ে বিভিন্ন জিলাত ২৭টা পথ, মথাউৰি আৰু অন্য আন্তঃগাঁথনিৰ ক্ষতিসাধন কৰে।

ব্ৰহ্মপুত্ৰৰ পানী তেজপুৰ, গুৱাহাটী আৰু গোৱালপাৰাত ক্ৰমৎ বৃদ্ধি পাইছে। কপিলী, ধনশিৰি, পাগলাদিয়া, বুঢ়ীদিহিং আৰু কুশিয়াৰা নৈৰ পানীও ভালেমান ঠাইত বাঢ়িবলৈ লৈছে।

ইফালে, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগত ৰীমাল প্ৰভাৱত উদ্ভৱ হোৱা প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা ব্যক্তিৰ নিকতাত্মীয়লৈ দুই লাখ টকাৰ এককালীন সাহায্য আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন বিষয় সন্দৰ্ভত ৭ খনকৈ বৈঠকত মিলিত হ'ব। সূত্ৰৰ পৰা জানিব পৰা মতে, প্ৰথমখন বৈঠকত বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলত ৰিমাল ঘূৰ্ণিবতাহৰ পৰৱৰ্তী পৰ্যায়ৰ স্থিতিৰ পৰ্যালোচনা কৰা হ'ব। পাছত শ্ৰীমোদীয়ে দেশত গ্ৰীষ্মপ্ৰবাহৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে আন এখন বৈঠকত মিলিত হ'ব। তেওঁ লগতে ব্যাপক পৰিসৰত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ বাবে প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আন এখন বৈঠকত ভাগ লব। নতুন চৰকাৰৰ প্ৰথম এশ দিনৰ কাৰ্যসূচী পৰ্যালোচনাৰ বাবে তেওঁ আন এখন বৈঠকত মিলিত হ'ব।

০০০০

কংগ্ৰেছৰ মুৰব্বী মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক কে চি ভেনুগোপালে আজি নতুন দিল্লীত সকলো নেতাৰ সৈতে ভাৰ্চুৱেল বৈঠক আহ্বান কৰি ভোটগণনাৰ পূৰ্বে ভৱিষ্যত ৰণনীতিৰ পৰিকল্পনা কৰে। সভাত লোকসভাৰ প্ৰাৰ্থী, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু দলৰ প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিসকল উপস্থিত থাকে।

০০০০

পাঞ্জাবত আজি দিনৰ ভাগত ফাতেহগড় চাহিব জিলাৰ নতুন ছিৰহিন্দ ৰেলৱে ষ্টেছনৰ ওচৰত লুধিয়ানা - আম্বালা মুল পথত দুখন মালবাহী ৰেলৰ মাজত সংঘৰ্ষ হয়। এই ৰেল দুখনৰ দুজন চালক গুৰুতৰভাৱে আহত হয়। বৰ্তমান দুয়োজন পাতিয়ালা চিকিৎসালত চিকিৎসাধীন হৈ আছে। সূত্ৰ অনুসৰি ৰেল

পথত বান্ধি থোৱা মালবাহী ৰেল এখনক আন এখন চলিত মালবাহী ৰেলে পিছফালৰ পৰা খুন্দা মাৰে। যাৰ ফলত এখন মালবাহী ৰেলৰ ইঞ্জিন বাগৰি পৰে। একে সময়তে কোলকাতাৰ পৰা জম্মু, টাভি অভিমুখী গ্ৰীষ্মকালীন বিশেষ যাত্ৰীবাহী ৰেল এখন ৰেল পথেৰে পাৰ হৈ আছিল কিন্তু লেহেমীয়া গতিৰ বাবে শোকাবহ দুৰ্ঘটনাৰ পৰা যাত্ৰীবাহী ৰেলখন ৰক্ষা পৰে। খবৰ পোৱাৰ পাছতে ৰেলৰে বিষয়াসকল ঘটনাস্থলীত উপস্থিত হয়। এই দুৰ্ঘটনাৰ ফলত ৰেলপথছোৱা গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হৈছে আৰু কৰ্তৃপক্ষই যুদ্ধকালীন ক্ষীপ্ৰতাৰে ৰেলপথ নিৰ্মাণ কৰি আছে।

০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আমেৰিকা যুক্তৰাষ্ট্ৰত আৰম্ভ হৈছে। আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজে এইবাৰ যৌথভাৱে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই আজি ডালাছত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত কানাডাক ৭ উইকেটত পৰাস্ত কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৪ টা বলত ৩ টা উইকেটৰ বিনিময়ত ১৯৭ ৰাণ কৰে। ইয়াৰ পূৰ্বে কানাডাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৯৪ ৰাণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হৈ আৰণ জন্স আৰু এণ্ড্ৰিজ গৌছে অৰ্ধশতক অৰ্জন কৰে।

০০০০

সমাপ্ত